# ASSAM

## ROAD TRANSPORT

31 NO. National Highway - অতিদীৰ্ঘ
বৰ্তমান - start from Barahi
Jharkhand → Bihar → WB → Baxirhat/
Sri Rampur → Jalukbari - 1124 KM.

31 NO. NH — 31 A, B, C,

37 NO. NH — Dhala Tinsukia
start → Dibrugarh → Sibsagar
JR → Nagaon → Goalpara Panchara
Total length 719 KM

52 NH — North Bank [illegible]
Baihata Chariali → Kamrup to
Jonai (Assam) → Arunachal pradesh

# Assam - Road Transport

38 NO NH - Tinsukia - Makum -
Lekhapani (56KM)
Digboi - Margherita - Ledu,

36 NO NH → Nagaon Town - Diphu -
Dimapur (NL) - 145KM

39 NO. NH - Numaligarh - Bokajan
(Karbi Anglong) → Dimapur - Kohima
Imphal (Manipur) → Moore Border
400 KM

NH 40 - Jorabat → shillong


NH 51 - Paikan (Goalpara) to
Tura Meghalaya

44 NO. NH - shillong - Badarpur -
Karimganj - Agartala 487KM

53 NH - Badarpur - Silchar - Izawl
320KM

54 NO NH - Silchar - Izawl - Tipang
360

চহৰসমূহলৈ পোনপটীয়া দ্ৰুতগামী সেৱা উপলব্ধ হৈছে। এইসমূহ সেৱাৰ মাজত দেশৰ ভিতৰতে দীৰ্ঘতম পথ (৪৩৭৬ কিঃমিঃ) অতিক্ৰম কৰা ডিব্ৰুগড়-কন্যাকুমাৰী সংযোগী বিৱেক এক্সপ্ৰেছ নামৰ ৰেলগাড়ীখনো আছে। ইফালে আন্তঃজিলা পৰিসৰৰ যাত্ৰী পৰিবহনৰ বেলিকা গুৱাহাটী-বঙাইগাঁও, গুৱাহাটী-নগাঁও, যোৰহাট-




চিত্ৰ-২৮.২ ঃ অসমৰ ৰেলপথসমূহ

তিনিচুকীয়া আৰু যোৰহাট-গুৱাহাটী পথত ৰেসৰেসাৰ নাম বিকল্প বাছ সেৱাৰ তুলনাত অধিক আকৰ্ষণীয় হৈ আহিছে। গজ-পৰিৱৰ্তনৰ কাম সম্পূৰ্ণ হোৱাৰ লগেলগেই তেজপুৰ, লখিমপুৰ, শিলচৰ প্ৰভৃতি চহৰসমূহে ৰেলসেৱাৰ ক্ষেত্ৰত কিছু অধিক সুবিধা লাভ কৰিব পাৰিব। পথ পৰিবহনৰ তুলনাত ৰেল পৰিবহন আৰ্থিকভাৱে কম খৰচী আৰু সুবিধাজনক। আকৌ ইন্ধন আৰু ভূমি সম্পদৰ ক্ষেত্ৰত মিতব্যয়ী হোৱা লগতে এই পৰিবহন ব্যৱস্থা পথ পৰিবহনৰ তুলনাত বহু দূৰলৈকে প্ৰদূষণৰহিত। সেয়েহে সম্ভৱপৰ ক্ষেত্ৰত পথ পৰিবহনৰ বিকল্প হিচাপে এই ব্যৱস্থাক আদৰণি জনাব পাৰিলে আৰ্থিক আৰু পৰিস্থিতিক (ecological ... নিয়ন্ত্ৰণ কৰিব পাৰি।


জিলাত আশানুৰূপ পৰ্যায়ৰ বুলিব পাৰি। ইফালে কাছাৰ (৩১কিঃমিঃ), চিৰাং (৩৩কিঃমিঃ), হাইলাকান্দি (৩৬কিঃমিঃ) আৰু ডিমা হাছাও (৩৮কিঃমিঃ) প্ৰভৃতি জিলাসমূহত পথৰ ঘনত্ব অতি কম।

## ২৮.৩ ৰে'লপথ (Railways) ঃ

অসমত বৰ্তমান (০১-০৪-২০১৫) সৰ্বমুঠ ২৫০৬ কিলোমিটাৰ ৰে'লপথৰ ২০৬১ কিলোমিটাৰ ব্ৰডগজ আৰু বাকী ৪৪৫ কিলোমিটাৰ মিটাৰগজ পথৰ গজ পৰিৱৰ্তন চলি আছে। ১৮৮২ চন, অৰ্থাৎ ভাৰতত ৰে'ল চলাচল আৰম্ভণীৰ ২৯ বছৰ পাছত অসমত ডিব্ৰুগড়ৰ পৰা মাকুম হৈ লেখাপানীলৈকে প্ৰথমটো ৰে'লপথ স্থাপন হৈছিল। একাদিক্ৰমে বিভিন্ন ৰে'লপথবোৰ মুকলি হৈ অহাৰ পাছত ২০১০ চনত শেহতীয়াভাৱে শিমলুগুৰি মৰাণহাট ৰে'লপথছোৱা ৪১ কিলোমিটাৰ সম্প্ৰসাৰণ ঘটাই নিৰ্মাণাধীন বগীবিল দলঙৰ কাষেৰে ডিব্ৰুগড় চহৰক সংযোগ কৰা হৈছে। **অসমত ৰে'লপথৰ ঘনত্ব সৰ্বভাৰতীয় নিৰিখৰ (১.৯২৫ কিঃ মিঃ/১০০বৰ্গ কিঃ মিঃ) তুলনাত ভালেখিনি বেছি (৩.১৯৪ কিঃ মিঃ/১০০ বৰ্গ কিঃ মিঃ)।** কিন্তু সেই অনুপাতে ৰাজ্যখনত ৰে'লসেৱাৰ মানদণ্ড উন্নত নহয়। ইয়াৰ দুটা প্ৰধান কাৰণ বিচাৰি পোৱা যায়। অসমৰ ৰে'লপথসমূহে ৰাজ্যখনৰ প্ৰধান চহৰসমূহৰ মাজত পোনপটীয়া সংযোগ প্ৰদানৰ পৰিৱৰ্তে বৃটিশ আৰ্হিৰে খনি, অৰণ্য আৰু চাহ বাগিচা অঞ্চলবোৰহে চুই গৈছে। অৰ্থাৎ বৃটিশৰ দিনত গুৰুত্বপূৰ্ণ বিবেচিত আৰু বৰ্তমান গুৰুত্ব কমি অহা অঞ্চলবোৰৰ মাজত ৰে'ল-সম্পত্তিৰ উপযুক্ত কল্যাণমূলক ব্যৱহাৰ সম্ভৱ হোৱা নাই। এনেস্থলত আজিৰ তাৰিখত অত্যধিক যাতায়াত সম্ভাৱনাযুক্ত শিৱসাগৰ-যোৰহাট, যোৰহাট-নগাঁও, যোৰহাট-তেজপুৰ প্ৰভৃতি অনেক চহৰযুতিৰ (pair of towns) মাজত ৰে'ল সংযোগ কাৰ্যকৰী হোৱা নাই। অসমত ৰেল সেৱাৰ অপূৰ্ণবিকশিত মানৰ দ্বিতীয় প্ৰধান কাৰণ হৈছে ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনীতিৰ পুতৌজনক অৱস্থা। আচল কথা ক'বলৈ হ'লে অসমলৈ ভাৰতৰ বিভিন্ন এলেকাৰ পৰা ৰেলপথেৰে অহা বহুদপাতিৰ পৰিমাণ আৰু বৈচিত্ৰ্যৰ তুলনাত বিপৰীত দিশত ৰে'লযোগে বাহিৰলৈ পঠিয়াব পৰা দ্ৰব্যৰ পৰিমাণ অন্ততঃ আজিৰ তাৰিখত নামমাত্ৰহে। গতিকে অসমত ৰেল পৰিবহনৰ সামগ্ৰিক অৰ্থনৈতিক চাহিদা আশানুৰূপ যুক্তিসংগত নহয়। এনে এক অৰ্থনৈতিক মন্দাৱস্থাত টাটানগৰ, কাটনি (চিমেণ্ট), তালচৰ (কয়লা), হসপেট (আকৰিক লো), লুধিয়ানা (অন্নশস্য) প্ৰভৃতি স্থানসমূহক সংযোগ কৰা বিভিন্ন ৰেলপথসমূহৰ অনুৰূপ পদ্ধতিৰে বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অসমৰ কোনো এটা ৰেলপথৰ স্বয়ংক্ৰিয় উন্নয়ন কাৰ্যতঃ সম্ভৱ নহয়। এই দুই প্ৰধান কাৰণৰ উপৰিও অসমৰ প্ৰায় প্ৰতিজন সামৰ্থ্যৱান লোকেই পৰাপক্ষত ৰেল পৰিবহনৰ বিকল্প হিচাপে পথ অথবা বিমান পৰিবহনৰ সুবিধা ল'বলৈহে আগ্ৰহী হোৱাৰ ফলত ৰাজ্যখনত ৰেল পৰিবহন উন্নয়নৰ সামূহিক দাবী যথেষ্ট নিস্তেজ হোৱা দেখা যায়।

অসমৰ চাৰিসীমাৰ ভিতৰত শ্ৰীৰামপুৰৰ পৰা গুৱাহাটী-লামডিং-তিনিচুকীয়া হৈ ডিব্ৰুগড়মুখী পূৰ্বোত্তৰ সীমান্ত ৰে'লমণ্ডলৰ মুখ্যপথটো দীঘলে ৭৯৫ কিলোমিটাৰ। এই পথৰ সমান্তৰাল বিকল্প পথ নিউ বঙাইগাঁও-পঞ্চৰত্ন-কামাখ্যা আৰু শিমলুগুৰি-শিৱসাগৰ-ডিব্ৰুগড় ৰেল পথ দুটাৰ দৈৰ্ঘ্য হৈছে যথাক্ৰমে ২১৩ কিলোমিটাৰ আৰু ১০২ কিলোমিটাৰ। বৰ্তমান সময়ত আন্তঃৰাজ্যিক পৰ্যায়ৰ ৰে'ল পৰিবহন সম্পাদনৰ লগত জড়িত এই তিনিওটা ৰেলপথত সাম্প্ৰতিক অৱস্থাত ৰেলগাড়ীৰ সৰ্বোচ্চ গতিবেগ ঘণ্টাত ১২০ কিলোমিটাৰ। যাত্ৰী পৰিবহনৰ ক্ষেত্ৰত অসমৰ দুই প্ৰধান সেৱান্তক ষ্টেচন গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা দিল্লী আৰু কলকাতাৰ উপৰিও মুম্বঈ, বাৰমেৰ, বীকানেৰ, অমৃতসৰ, জম্মু, চণ্ডীগড়, ওখা আৰু গান্ধীধাম (দুয়োখনেই গুজৰাতৰ পশ্চিম সীমান্তত), চেন্নাই, বাংগালুৰু, তিৰুৱনন্তপুৰম প্ৰভৃতি দূৰৱৰ্তী

কিলোমিটাৰ) ... -বদৰপুৰ-কাৰমগঞ্জ-আগৰতলা সংযোগী ...
সংযোগী ৫৩ নম্বৰ ৰাষ্ট্ৰীয় পথ (৩২০ কিলোমিটাৰ) মূল পথ হিচাবে ধৰি এই পথৰ পৰাই বদৰপুৰ-শিলচৰ-ইম্ফল ৫৪ নম্বৰ ৰাষ্ট্ৰীয় পথটো (৩৬০ কিলোমিটাৰ) আৰু শিলচৰৰ পৰা আইজাল হৈ টিপাং অভিমুখী দক্ষিণ দিশত আগবাঢ়ি গৈছে (চিত্ৰ-২৮.১)।




চিত্ৰ-২৮.১ ঃ অসমৰ ৰাষ্ট্ৰীয় পথসমূহ

২০১২ চনৰ জুলাই মাহৰ হিচাপ অনুসৰি অসমত বিভিন্ন শ্ৰেণীভুক্ত সৰ্বমুঠ ৪৭,৪৪৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ আছে। এই পথতন্ত্ৰটোৰ ভিতৰত ১৯৪৮ কিলোমিটাৰ ৰাষ্ট্ৰীয় পথ, ৩১৩৩ কিলোমিটাৰ ৰাজ্যিক ঘাইপথ (State Higyway), ৪৪১২ কিলোমিটাৰ জিলা পৰ্যায়ৰ ঘাই পথ, ৩৬,৫৪৪ কিলোমিটাৰ গ্ৰাম্যপথ আৰু বাকী ১৪০৯ কিলোমিটাৰ পৌৰ এলেকাৰ পথ আছে। পথতন্ত্ৰটোৰ ১৩০ কিলোমিটাৰ ৰাষ্ট্ৰীয় পথসহ সৰ্বমুঠ ২৪,৪৩০ কিলোমিটাৰ পথৰ পকীকৰণ হবলৈ এতিয়াও বাকী আছে। অৱশ্যে পৰৱতীকালত আগৰ ভালেমান কেঁচা পথ পকী কৰা হৈছে।

জিলাসমূহৰ পৰিসৰত কাৰ্বি আংলং (৪৪৭৯কিঃমিঃ), কামৰূপ (৩৩০৮কিঃমিঃ), নগাঁও (৩২২৮ কিঃমিঃ), শিৱসাগৰ (২৯৭৯কিঃমিঃ) আৰু শণিতপুৰ (২৮৬২কিঃমিঃ) জিলাত পথতন্ত্ৰৰ মুঠ দৈৰ্ঘ্য আনবোৰ জিলাতকৈ বেছি। আনহাতে পৌৰ কামৰূপ (৪৬৯কিঃমিঃ), হাইলাকান্দি ((৫৭৩কিঃমিঃ), চিৰাং (৬৬০ কিঃমিঃ), বঙাইগাঁও (৮৫৭কিঃমিঃ) আৰু নলবাৰী (৯৬৫কিঃমিঃ) জিলাত মুঠ পথৰ দৈৰ্ঘ্য নিচেই কম। আকৌ প্ৰতি এশ বৰ্গকিলোমিটাৰ ক্ষেত্ৰফলৰ বিপৰীতে পোৱা পথতন্ত্ৰৰ দৈৰ্ঘ্য ওদালগুৰি (১০৯কিঃমিঃ), শিৱসাগৰ (১০৮কিঃমিঃ), নলবাৰী (৯৬কিঃমিঃ), কামৰূপ (৯৩কিঃমিঃ) আৰু গোৱালপাৰা (৮৫কিঃমিঃ)